বঙাইগাঁৱত আমাৰ অসম ৰ অন্তৰংগ আলাপ

যি জাতিয়ে নিজৰ মাতৃভাষা চৰ্চা নকৰে, নিজৰ সৃষ্টিশীলতাত যদি মাতৃভাষা ব্যৱহাৰ নকৰে, তেন্তে সেই জাতি প্ৰতিযোগিতাত তিষ্ঠি থাকিব নোৱাৰে ঃ মনোজ কুমাৰ গোস্বামী

মনোজ কুমাৰ গোস্বামী

বিশ্বৰ আগশাৰীৰ কৰ্পৰেট গোষ্ঠীৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ থকা সামাজিক মাধ্যম কেতিয়াও গণতান্ত্ৰিক মাধ্যম হ'ব নোৱাৰে। সামাজিক মাধ্যম ফেছবুক, ৰাচছএপ, ইনষ্টাগ্ৰাম, টুইটাৰ অথবা আন কিছু মাধ্যমযোগে যিকোনো ব্যক্তিয়ে যিকোনো বিষয় লিখিব পাৰে লগতে যি কোনো ছবি অথবা ভিডিঅ' শ্ৰেৰণ কৰিব পাৰে বুলি যেনেকুৱা জয়জয় ময়ময় পৰিবেশৰ সৃষ্টি হৈছে এই বিষয়টো কিন্তু প্ৰকৃত গণতন্ত্ৰৰ বাবে সুখবৰ নহয়। কাৰণ বৃহৎ কৰ্পৰেট গোষ্ঠীয়ে নিয়ন্ত্ৰণ কৰি আছে এই সামাজিক মাধ্যমবোৰ।

আমি দীৰ্ঘদিন দেখিবলৈ পাইছিলো যে কলেজ আৰু বিশ্ববিদ্যালয় চৌহদৰ পৰাই অসমৰ সকলো সাহিত্য আৰু সংস্কৃতি পৰিষটনা সংঘটিত হৈ আহিছিল। ড' ভবেন্দ্ৰ নাথ শইকীয়াৰ কথা যদি আমি চিন্তা কৰো তেওঁ কলেজৰ অধ্যাপক আছিল, সাংবাদিকতা কৰিছে, সাহিত্য চিন্তা কৰিছিল, অন্যান্য থকা কালতে তেওঁ চিনেমাও কৰিছে। ড' বীৰেন্দ্ৰ নাথ দত্ত, ড' বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, সৌৰভ চলিহা, মহীম বৰা আদি সকলোৰে কলেজ আৰু বিশ্ববিদ্যালয়ৰ চৌহদৰ পৰাই বিভিন্ন সৃষ্টিশীল কামত নিয়োজিত হৈ আছিল। কিন্তু আজিৰ দিনত কলেজ আৰু বিশ্ববিদ্যালয়ৰ ৯০ শতাংশ শিক্ষক গৱেষণা আৰু ইউ জি চি ৰ হেঁচাত তেওঁলোকে

বন্তি প্ৰজ্বলন কৰাৰ মুহূৰ্তত উপাচাৰ্য ড' তৰণী ডেকা

সৃষ্টিশীলতা হেৰুৱাবলগীয়া হৈছে। যাৰ বাবে অসমীয়া সাহিত্য সংস্কৃতি বৃহৎ পৰ্যায়ত ক্ষতিৰ সন্মুখীন হৈছে।

পূৰ্ণৰ তুলনাত বাতৰি কাকতৰ গ্ৰাহকৰ সংখ্যা যথেষ্ট হ্ৰাস পাইছে। কেৱল অসম অথবা ভাৰতেই নহয় ক'ভিডৰ পিছত প্ৰায়বোৰ দেশতে এই প্ৰভাৱ পৰিলক্ষিত হৈছে। ক'ভিডৰ সময়ছোৱাত অষ্ট্ৰেলিয়া, আমেৰিকাকে ধৰি পৃথিৱীৰ বহু দেশত অতি পুৰণি কেইবাখনো বাতৰি কাকত বন্ধ হৈছে। বাংলা ভাষাৰ জনপ্ৰিয় বাতৰি কাকত 'আনন্দ বাজাৰ পত্ৰিকা'ৰ এটা সময়ত গ্ৰাহকৰ সংখ্যা আছিল ১৮ লাখ। কিন্তু আজি এই কাকতখনৰ গ্ৰাহকৰ সংখ্যা কমি এতিয়া হৈছে ৭ লাখ। সামাজিক মাধ্যমৰ প্ৰভাৱৰ বাবে বাতৰি কাকতৰ গ্ৰাহকৰ জনপ্ৰিয়তা কমি আহিছে। সামাজিক মাধ্যমৰ উদ্ভাৱক ফলত টিভি চোৱা মানুহৰ সংখ্যাও কমি গৈছে। এনে পৰিৱৰ্তনৰ যুগত সংবাদ মহলো পৰিৱৰ্তনমুখী হোৱাটো উচিত। আমাৰ দেশৰ জনসংখ্যা হৈছে ১৪০ কোটি। বিশ্বৰ ওচৰত আমি ভাল গ্ৰাহক। এনেকি গোটেই বিশ্বতে আমি এক নম্বৰ গ্ৰাহক, যাৰ বাবে আমাৰ দেশৰ বজাৰ দখল কৰাৰ বাবে গোটেই পৃথিৱীৰ লক্ষ্য হৈ পৰিছে। আমি বিভিন্ন দিশত ব্যৱসায়-বাণিজ্য কৰি নিজকে সন্তুষ্ট বুলি ভাবিছো যদিও উৎপাদন তথা আৱিষ্কাৰৰ ক্ষেত্ৰত আমি অতি পিছ পৰি থকাটো এক উদ্বেগজনক বিষয়। বেলেগ দেশবোৰে উৎপাদন কৰা অথবা আৱিষ্কাৰ কৰা বস্তু আমি ক্ৰয় কৰি আছো, কিন্তু আমাৰ দেশে ভাল মানৰ এটি মিক্সেচেটেন অথবা বাছি মেছিনো বনাব পৰা নাই। যাৰ বাবে আমি গ্ৰাহক হিচাপেই গোটেই বিশ্বত আমাৰ সুনাম হৈ থাকিব লাগিব। এনে পৰিস্থিতি কিন্তু দেশখনৰ অৰ্থনীতিৰ বাবে ভাল বাৰ্তা নহয়। পৃথিৱীয়ে আমাক পৰিচালনা কৰিব, আমি পৃথিৱীক পৰিচালনা কৰিব নোৱাৰিম। কাৰণ গ্ৰাহকে কোনো দিনে বিশ্ব নিয়ন্ত্ৰণ কৰিব নোৱাৰে। সৃষ্টি কৰা সকলেহে নিয়ন্ত্ৰণ কৰিব পাৰে।

অন্তৰংগ আলাপত মনোজ কুমাৰ গোস্বামী আৰু প্ৰণৱ কুমাৰ তালুকদাৰৰ সৈতে বঙাইগাঁৱৰ সাহিত্যসেৱী

'সাহিত্য, সাংবাদিকতা, সমাজ আৰু সংস্কৃতি' শীৰ্ষক মত-বিনিময়

অসমৰ সংবাদ জগতৰ এক স্বৰ্ণিল অধ্যায়ৰ সূচনা কৰা, সত্যনিষ্ঠ সাংবাদিকতাত উৎসৰ্গিত 'আমাৰ অসম' কাকতখনে ইতিমধ্যে ২৮টা বছৰ অতিক্ৰম কৰিলে। অসমৰ সাহিত্য, সংবাদ, সংস্কৃতি, শিক্ষা, ৰাজনীতি আৰু সমাজ জীৱনৰ অংগ হৈ পৰা 'আমাৰ অসম' কাকতখনে সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ সৈতে, বিশেষকৈ যুৱ-প্ৰজন্মৰ সৈতে মুকলিকৈ কথা পাতিবৰ বাবে একাধিক ঠাইত মত-বিনিময় অনুষ্ঠানৰ আয়োজন কৰি আহিছে। বঙাইগাঁৱৰ বঙাইগাঁও বিশ্ববিদ্যালয়তো এই ৰাতিক্ৰমধৰ্মী অনুষ্ঠান আয়োজন কৰা হৈছিল ৩০ আগষ্টত। বঙাইগাঁও বিশ্ববিদ্যালয়ৰ গণসংযোগ আৰু সাংবাদিকতা বিভাগৰ সহযোগত বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় এই মত-বিনিময় অনুষ্ঠান। 'সাহিত্য, সাংবাদিকতা, সমাজ আৰু সংস্কৃতি' শীৰ্ষক বিষয়ৰ ওপৰত অনুষ্ঠিত এই মত-বিনিময় অনুষ্ঠানত মূল মধ্যমণি আছিল 'আমাৰ অসম'ৰ মুখ্য সম্পাদক, সাহিত্য অকাডেমী বঁটাপ্ৰাপক, বিশিষ্ট গল্পকাৰ মনোজ কুমাৰ গোস্বামী। মুখ্য সম্পাদক গোস্বামীৰ লগতে এই অনুষ্ঠানত উপস্থিত আছিল জি এল পাত্ৰিকেছনৰ মহাপ্ৰবন্ধক প্ৰণৱ কুমাৰ তালুকদাৰ। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত আছিল বঙাইগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড' তৰণী ডেকা আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত আছিল বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড' দীনেশ দাস। বত্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা হয় অনুষ্ঠানটো। বঙাইগাঁও বিশ্ববিদ্যালয় গণসংযোগ আৰু সাংবাদিকতা বিভাগৰ সহকাৰী অধ্যাপক পুলকেশ দাসে আঁত ধৰা এই অনুষ্ঠানত উদ্বোধনী গীত পৰিবেশন কৰে বঙাইগাঁও বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপিকা প্ৰেয়সী সাহাই।

আমাৰ সমাজত মাতৃভাষা ব্যৱহাৰোৱা কমি আহিছে। যি জাতিয়ে নিজৰ মাতৃভাষা চৰ্চা নকৰে, মাতৃভাষা নিজৰ বিশ্লেষণত অথবা নিজৰ সৃষ্টিশীলতাত যদি ব্যৱহাৰ নকৰে সেই জাতি কিন্তু প্ৰতিযোগিতাত তিষ্ঠি থাকিব নোৱাৰে। অসমীয়া কথিত ভাষা বিশ্বৰ ভিতৰত একেবাৰে তলৰ স্তৰত থকা নাই। দুই অথবা আঢ়ৈ কোটি জনসংখ্যাৰ অসমীয়া ভাষা পৃথিৱীত সৰ্বাধিক কথিত ভাষাৰ ভিতৰত অসমীয়া ভাষা ৫০টা স্থানৰ ভিতৰত আছে। মোবাইল ব্যৱহাৰৰ কাৰণে ভাষাৰ প্ৰয়োগ কমি যোৱা পৰিলক্ষিত হৈছে। পৃথিৱীত একমাত্ৰ ভাষা থকা জীৱ হৈছে মানুহ। ভাষাৰ মাধ্যমৰে মানুহে বৃহত্তৰ জাতি গঢ়িলে, সমাজ গঢ়িব পাৰিলে, কিন্তু আকৌ এই ভাষা যদি হেৰাই যায় আমি কোন পৰ্যায়ত যাম এয়া নিশ্চয় এক চিন্তনীয় বিষয়।

আমাৰ অসম

'আমাৰ অসম' কাকতৰ নিয়মীয়া শিতান 'বুধ বিতৰ্ক', চিঠি-পত্ৰ শিতান 'পত্ৰাণু' আৰু 'সপ্তাহান্তিক'ত অণু গল্পকে ধৰি বিভিন্ন শিতানত বঙাইগাঁও প্ৰমুখ্যে নামনি অসমৰ বিভিন্ন অঞ্চলৰ গণমাধ্যমৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-সমাজ, বৌদ্ধিক মহল আৰু সচেতন নাগৰিকক অংশ ল'বৰ কাৰণে 'আমাৰ অসম'ৰ তৰফৰ পৰা 'অন্তৰংগ আলাপ' অনুষ্ঠানত বিশেষভাৱে আহ্বান জনোৱা হৈছিল।

অন্তৰংগ আলাপত বাঁওফালৰ পৰা প্ৰণৱ কুমাৰ তালুকদাৰ, মনোজ কুমাৰ গোস্বামী, ড' তৰণী ডেকা আৰু ড' দীনেশ দাস

■ ড' তৰণী ডেকা
উপাচাৰ্য, বঙাইগাঁও বিশ্ববিদ্যালয়

আমাৰ অসম কাকতৰ মুখ্য সম্পাদকৰ সৈতে যি মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হৈছে তাৰ বাবে বঙাইগাঁও বিশ্ববিদ্যালয় গৌৰবান্বিত। মনোজ কুমাৰ গোস্বামীৰ নেতৃত্বতে 'আমাৰ অসম' কাকতখনে এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। কাকতখনে অসমৰ সমাজ জীৱনত এক বিশিষ্ট ভূমিকা লৈ আহিছে। কাকতখনে হালধীয়া সাংবাদিকতাৰ বিৰুদ্ধে এক বিশেষ পৰিবেশ সৃষ্টি কৰি আহিছে।

প্ৰণৱ কুমাৰ তালুকদাৰ
মহাপ্ৰবন্ধক, জি এল পাত্ৰিকেশ্বনছ

১৯৯৭ চনৰ ২১ এপ্ৰিল তাৰিখে জন্ম লোৱা 'আমাৰ অসম'-এ এতিয়া ২৮ বছৰ অতিক্ৰম কৰিলে। বাইজে কি পঢ়াটো উচিত এই দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰি 'আমাৰ অসম' কাকতখনে জন্মলগ্নৰে পৰা চিন্তা কৰি আহিছে। পৃথিৱীৰ আটাইতকৈ বেছি বিক্ৰী হোৱা বাতৰি কাকতখন শক্তিশালী হ'ব নোৱাৰে। সীমিত গ্ৰাহক থকা বাতৰি কাকত এখনো শক্তিশালী হ'ব পাৰে। 'আমাৰ অসম' কাকতৰ এই দীৰ্ঘদিনীয়া যাত্ৰাত ব্যতিক্ৰমী এক ব্যতিক্ৰমী ৰূপত সংবাদ পৰিবেশন কৰি আছে। অতিৰঞ্জিত অথবা অতি উমাদিত বাতৰি প্ৰকাশ নকৰাৰ বাবে হয়তো 'আমাৰ অসম' কাকতৰ গ্ৰাহকৰ সংখ্যা সীমিত যদিও এই কাকতখন কিন্তু বাইজৰ মাজত এক শক্তিশালী ৰূপে প্ৰকাশ পাইছে। বাইজৰ আশীৰ্বাদ স্বৰূপ আমাৰ অসমে আজি এই সন্মানীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

অন্তৰংগ আলাপত বিশ্ববিদ্যালয়ৰ একাংশ ছাত্ৰ-ছাত্ৰী

খালিদা আহমেদ,
সহঃ অধ্যাপিকা, বঙাইগাঁও বিশ্ববিদ্যালয়

অসমীয়া ভাষাত ইংৰাজী আৰু অন্য ভাষাৰ প্ৰয়োগ থকা দেখা গৈছে। এয়া কিমান সঠিক? আমাৰ অসমৰ দৰে সম্ভ্ৰান্ত বাতৰি কাকত আৰু অসমৰ বৌদ্ধিক মহলে নিশ্চয় এই ক্ষেত্ৰত চিন্তা-চৰ্চা কৰা উচিত।

ড' হিতেশ দাস
অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বঙাইগাঁও মহাবিদ্যালয়

মনোজ কুমাৰ গোস্বামীৰ সৈতে 'আমাৰ অসমে' আয়োজন কৰা অন্তৰংগ আলাপ অনুষ্ঠানৰ বাবে সংবাদ গোষ্ঠীটোক ধন্যবাদ জনাইছোঁ। এখন সুস্থ সমাজ গঢ়াৰ হকে এনেধৰণ আলোচনাৰ প্ৰয়োজন। আশা কৰোঁ আমাৰ অসমে এই ধাৰা অব্যাহত ৰাখিব।

গনেশ্বৰ দেৱশৰ্মা
অৱসৰী অধ্যক্ষ, বীৰঝৰা উঃ মাঃ বিদ্যালয়

বাতৰি কাকতবোৰ অথবা সাহিত্যিকসকল প্ৰগতিশীল চিন্তা-চৰ্চাৰ বাহক হ'ব লাগে। কিন্তু বাতৰি কাকতত প্ৰকাশিত বাশিফলক সাধাৰণত অন্ধবিশ্বাসৰ প্ৰতীক হিচাপে বিবেচনা কৰা হয়। কিন্তু বাতৰি কাকতবোৰে প্ৰতিদিনে বাশিফল প্ৰকাশ কৰি বৈজ্ঞানিক চিন্তা-ধাৰাক ভেঙুচালি কৰা নাইনে?

পুলকেশ দাস
সহকাৰী অধ্যাপক, গণসংযোগ আৰু সাংবাদিকতা বিভাগ, বঙাইগাঁও বিশ্ববিদ্যালয়

'আমাৰ অসম' কাকতৰ উদ্যোগত আয়োজিত অন্তৰংগ আলাপ কাৰ্যসূচীয়ে বঙাইগাঁও মহাবিদ্যালয়ৰ গণসংযোগ আৰু সাংবাদিকতা বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এক ব্যৱহাৰিক শ্ৰেণী হিচাপে বিবেচিত হ'ল। মনোজ কুমাৰ গোস্বামীৰ দৰে স্বনামধন্য সাহিত্যিক-সাংবাদিকৰ সৈতে হোৱা অন্তৰংগ আলাপে বিশ্ববিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলক যথেষ্ট উপকৃত কৰিলে।

দ্বীপা বেজবৰুৱা, সাহিত্যিক তথা শিক্ষয়িত্ৰী

বিশ্বায়নৰ যুগত নব-প্ৰজন্মই কেনে ধৰণৰ সাহিত্য সৃষ্টি কৰা উচিত সেই বিষয়ে মনোজ গোস্বামীৰ সৈতে হোৱা অন্তৰংগ আলাপৰ পৰা আজি আমি বহুখিনিয়ে শিকিলো-জানিলোঁ। বিশিষ্ট সাংবাদিক-সাহিত্যিকগৰাকীৰ পৰা আমি ভৱিষ্যতে এনেধৰণৰ অনুষ্ঠান উপহাৰ পাম বুলি আশা কৰিলোঁ।

ড' দীনেশ দাস
পঞ্জীয়ক, বঙাইগাঁও বিশ্ববিদ্যালয়

মহাবিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ উন্নীত হোৱাৰ প্ৰথম খোজতেই আমাৰ অসমে আয়োজন কৰা এই অনুষ্ঠানটো সঁচাকৈয়ে শলাগ ল'বলগীয়া। এই অনুষ্ঠানটো সাহিত্য অকাডেমী বঁটাপ্ৰাপক মনোজ কুমাৰ গোস্বামীৰ উপস্থিতিৰ বাবে আমি সকলোৱে গৌৰব অনুভৱ কৰিছো। সত্যনিষ্ঠ সংবাদ পৰিবেশন কৰিবলৈ সংবাদ মাধ্যমৰ ধৰ্ম হ'ব লাগে। কিন্তু সম্প্ৰতি একাংশ সংবাদ মাধ্যমে মানে সজা ভিত্তিহীন বাতৰিও প্ৰকাশ কৰি আহিছে। 'আমাৰ অসম' আৰম্ভণিৰে পৰা এনে দোষৰ পৰা মুক্ত।

মানিক চন্দ্ৰ শৰ্মা, কবি-সহিত্যিক

প্ৰায় ৩৩ বছৰ আগৰ মনোজ কুমাৰ গোস্বামীৰ 'সমীৰণ বৰুৱা আহি আছে' গল্পটো পঢ়িছিলোঁ। সেই গল্পটোৰ আবাবত এখন ছবিৰ লগতে আবাহন থিয়েটাৰত নাটকো মঞ্চস্থ হৈছে। সেই বিশেষ গল্পটোৰে আজিও আমাক মন্ত্ৰমুগ্ধ কৰে। তেওঁৰ সেই গল্পটোৰ শিৰোনামৰ আধাৰত মই তেতিয়াই এটি কবিতা ৰচনা কৰিছিলোঁ। এজন লেখকৰ কালজয়ী সৃষ্টিয়ে কিদৰে সমাজত জীৱনত গভীৰ ৰেখাপাত কৰিব পাৰে সেই কথা মনোজ গোস্বামীৰ লিখনিয়ে প্ৰমাণ।

ড' ৰূপনাথ ওৱাৰী
সহঃ অধ্যাপক, বঙাইগাঁও বিশ্ববিদ্যালয়

প্ৰতি ১৪ দিনৰ মূৰে মূৰে এটাকৈ সৰু ভাষাৰ মৃত্যু ঘটিছে। অসমতো বড়ো, মিচিং, ৰাভা আদি বিভিন্ন সৰু ভাষা আছে। চৰকাৰে তিনি ভাষীয়া ভাষাৰ প্ৰয়োগ কৰিছে, তথাপি এই ভাষাবোৰৰ বিকাশ ঘটা নাই। এনে সৰু ভাষাবোৰ ৰক্ষাৰ বাবে সংবাদ মাধ্যমে কাম কৰা উচিত।

ড' চন্দনা দাস
সহঃ অধ্যাপিকা, বঙাইগাঁও বিশ্ববিদ্যালয়

সাম্প্ৰতিক সময় ছোৱাত গল্প আৰু কবিতাৰ ক্ষেত্ৰত কি কি বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে সেই কথা আজি মনোজ কুমাৰ গোস্বামীৰ বক্তৃতাৰ পৰা জানিব পাৰিলোঁ।

ৰোহিনী কুমাৰ চৌধুৰী, সাহিত্যিক তথা অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া

অসমীয়া সাহিত্যত যিবোৰ কাকত ওলায় ইয়াত নামনি অসমক গুৰুত্ব কম দিয়ে নেকি! এই ক্ষেত্ৰত কিছু ব্যৱস্থা লোৱা উচিত। পুৰণি গোৱালপাৰা জিলাখন সাহিত্য, সমাজ, সংস্কৃতিকে ধৰি বিভিন্ন দিশত অতি চহকী হিচাপে পৰিচিত আছিল। অৰুণোদয় কাকতৰ যিসকল উদ্যোক্তা আছিল তেওঁলোকৰ যাত্ৰা কিন্তু পুৰণি গোৱালপাৰা জিলাৰ পৰাই আৰম্ভ হৈছিল। কলকাতাৰ পৰা আহি গোৱালপাৰাৰ ব্ৰহ্মপুত্ৰইদি তিনিখন নাৱত আহিছিল। তেওঁলোকে ছপাশাল আৰু ১০০ বিম কাগজ লৈ আহিছিল। এনেকৈ তেওঁলোকে শদিয়া পালেগৈ আৰু শদিয়াৰ পৰা শিৱসাগৰ পালে আৰু শিৱসাগৰৰ পৰাই প্ৰকাশ পালে অৰুণোদয় কাকত। হৰিবাচকীৰ বৰৰ মূল কেন্দ্ৰ আছিল নামনি অসমৰ গোৱালপাৰা। ইংৰাজ সকলৰো সেই সময়ত মূলতঃ আগ্ৰাসন ঘটিছিল গোৱালপৰা জিলাতেই। বৰদোৱা সত্ৰখন যি গৰাকী মহিলাই উদ্ধাৰ কৰিছিল এই মহিলাগৰাকী আছিল অবিভক্ত গোৱালপাৰা জিলাৰ। বঙাইগাঁও জিলাৰ অধীনত থকা ঘনটীয়া বিষ্ণুপুৰ সত্ৰৰ পৰা যাত্ৰা কৰি অৰুণ্যৰ মাজৰ পৰা বৰদোৱা সত্ৰখন উদ্ধাৰ কৰে।

ড' হিল্লোল জ্যোতি সিংহ, অধ্যাপক, বড়োলেণ্ড বিশ্ববিদ্যালয়

'আমাৰ অসম'ৰ বৌদ্ধিক চিন্তা-চৰ্চাই আমাৰ উদ্বুদ্ধ কৰে বাবেই বহু সংগ্ৰামৰ মাজেৰেও আমি কাকতখনৰ নিয়মীয়া পাঠক হৈ আছোঁ। মনোজ কুমাৰ গোস্বামীৰ নাম সাহিত্য অকাডেমী বঁটাৰ বাবে বহু বছৰ আগতেই বিবেচিত হ'ব লাগিছিল। 'ভুল-সত্য'তকৈও তেওঁৰ অন্য সাহিত্যৰ সৃষ্টিবোৰ সমানেই অনন্য। মনোজ কুমাৰ গোস্বামীৰ সৈতে অনুষ্ঠিত অন্তৰংগ আলাপ অনুষ্ঠানে সমাজত গভীৰ ৰেখাপাত কৰে।

ড' জবা ঠাকুৰীয়া, মুৰব্বী অধ্যাপিকা
অসমীয়া বিভাগ, বঙাইগাঁও বিশ্ববিদ্যালয়

অন্তৰংগ আলাপ অনুষ্ঠানৰ জৰিয়তে মনোজ কুমাৰ গোস্বামীৰ সোশৰীৰে লগ পাই আমি আপ্লুত হৈ পৰিছো। মুখ্য সম্পাদকজনৰ বক্তব্যত বহু প্ৰাসংগিক কথাই স্থান লাভ কৰিছে। সাহিত্যৰ ছাত্ৰী হিচাপে তেওঁৰ পৰা আমি বহু কথাই জানিব বা শিকিবলৈ আছে। এনে ধৰণৰ অন্তৰংগ আলাপ সকলোৰে বাবে সময় উপযোগী। বঙাইগাঁও মহাবিদ্যালয়খন বিশ্ববিদ্যালয়লৈ উন্নীতকৰণ কৰা হ'ল। যাৰ বাবে নতুন পাঠ্যক্ৰম বনাবলগীয়া হৈছে। অসমীয়া সাহিত্য আৰু সংবাদপত্ৰৰ ওপৰত আমি এক পাঠ্যক্ৰম প্ৰস্তুত কৰিব বিচাৰিছোঁ।

নিবেদিতা ৰায়, অৱসৰী শিক্ষয়িত্ৰী, বীৰঝৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়

চৰকাৰে শেহতীয়াকৈ মাতৃভাষা সম্প্ৰসাৰণৰ ক্ষেত্ৰত বিশেষকৈ জনগোষ্ঠীয় ভাষাবোৰক যেনে- বাভা, মিছিং, দেউৰী ইত্যাদিবোৰক আগুৱাই নিয়াৰ বাবে বিভিন্ন পদক্ষেপ লৈছে। ঠিক একেদৰে কোচৰাজবংশী ভাষাটোও বিভিন্ন স্তৰত সম্প্ৰসাৰণ হৈ প্ৰায় ১৪খন মান প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠানিকভাৱে প্ৰৱৰ্তন কৰা হ'ল। এইবোৰ জনগোষ্ঠীয় ভাষাৰ প্ৰৱৰ্তনে অসমীয়া ভাষাৰ বিদৰে প্ৰভাৱ পেলাব আৰু লগতে অনাগত দিনত এই ভাষাবোৰৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত জনগোষ্ঠীয় লেখক-লেখিকাৰ কি ভূমিকা হ'ব সেই কথাৰ তেওঁ পোষকতা কৰি প্ৰশ্ন অৱতাৰণা কৰে।

'আমাৰ অসম'ৰ অন্তৰংগ আলাপত অংশ লোৱা বঙাইগাঁৱৰ বিদ্বৎ সমাজ

নীৰেন চন্দ্ৰ দাস, সাহিত্যিক-সমাজকৰ্মী

অসমীয়া কথিত ভাষাবোৰ নাইকিয়া হ'বলৈ গৈ আছে। বিশেষকৈ নতুন প্ৰজন্মই কথিত ভাষা ব্যৱহাৰ নকৰে। শিক্ষানুষ্ঠান বোৰতো কথিত ভাষা শিকোৱা নহয়। গতিকে এই ক্ষেত্ৰত 'আমাৰ অসম'ৰ দৰে কাকত তথা মনোজ কুমাৰ গোস্বামীৰ দৰে সাহিত্যিকে বিশেষ ভূমিকা গ্ৰহণ কৰি কথিত ভাষাক ভৱিষ্যত প্ৰজন্মৰ বাবে ৰক্ষা কৰাটো প্ৰয়োজন হৈ পৰিছে।

ডাঃ শংকৰ কুমাৰ দাস
বিশিষ্ট স্ত্ৰী ৰোগ বিশেষজ্ঞ

চিকিৎসা বিজ্ঞান গৱেষণাৰ ওপৰত ভিত্তি কৰি চলে। প্ৰমাণ লাভৰ পিছতহে এই গৱেষণা প্ৰয়োগ কৰা হয়। ইউৰোপীয়ান ধাৰণা মতে বয়স বৃদ্ধিৰ লগে লগে মহিলাসকলৰ ডিম্বানুৰ ক্ষমতা কমি যায়। বিশেষকৈ ৪০ বছৰৰ পাছত মহিলাসকলৰ ডিম্বানুৰ ক্ষমতা অধিক হাৰত কমি আহে। চিকিৎসাই হওক বা সাহিত্যই হওক সকলোতে গৱেষণাৰ প্ৰয়োজন। সকলোৰে মাজত সাহিত্যৰ প্ৰতিভা লুকুৱাই থাকে। কোনোবে লিখে কোনোবে নিলিখে। গতিকে সাহিত্য চৰ্চা কৰাটো সকলোৰ বাবেই প্ৰয়োজন।

অজিত কুমাৰ দাস, সাহিত্যিক

'আমাৰ অসম'ৰ মুখ্য সম্পাদক মনোজ কুমাৰ গোস্বামীয়ে কোৱা অনুসৰি আমাৰ দেশৰ ভয়াবহ প্ৰদূষণৰ বাবে দেশৰ নাগৰিকসকলে বিদেশত নাগৰিকত্ব লৈছে। এই পৰিপেক্ষিতত আমাৰ দেশৰ শিক্ষানুষ্ঠানবোৰত জাতীয় দেশপ্ৰেমজনিত বিষয় পাঠ্যক্ৰমত সন্নিবিষ্ট কৰা যায় নেকি? আমাৰ দেশৰ অধিকাংশ অঞ্চলতে পৰিৱেশ প্ৰতিকূলে অনুভৱ কৰা যায়। ইয়াৰ পিছতো কিন্তু নিজৰ দেশৰ পৰিচয় ত্যাগ কৰি বিদেশলৈ গৈ নাগৰিকত্ব গ্ৰহণ কৰিছে। গতিকে এই ধাৰা বন্ধ কৰাৰ বাবে দেশপ্ৰেম মূলক শিক্ষা দিয়া উচিত নেকি?

ডাঃ পি ডেকা
জ্যেষ্ঠ শিশুৰোগ বিশেষজ্ঞ

অসমীয়া সাহিত্যৰ সংকট দেখা দিয়া বুলি প্ৰায় আলোচনা হয়। কিন্তু এই সংকট কেনেকৈ মোচন কৰিব পাৰি সেই বিষয়ে আমি সকলোৱে চিন্তা-চৰ্চা কৰা উচিত। এই ক্ষেত্ৰত মনোজ কুমাৰ গোস্বামীৰ দৰে সাহিত্যিক বা 'আমাৰ অসম' কাকতে আমাক বাট দেখুৱাব লাগিব।

যুগ্মভাৱে ঃ পুলকেশ দাস, সহকাৰী অধ্যাপক, গণসংযোগ আৰু সাংবাদিকতা বিভাগ, বঙাইগাঁও বিশ্ববিদ্যালয় আৰু 'আমাৰ অসম'ৰ বঙাইগাঁৱৰ প্ৰতিনিধি প্ৰশান্ত ৰায়ে